- গাভিনী ছাগলীয়ে বিনাশ পেলাব পাৰে।

৫-১০ দিনমান ওপৰৰ লক্ষণসমূহত ভোগাৰ অন্তত ছাগলী জনীয়ে মৃত্যু বৰণ কৰিব পাৰে।

**চিকিৎসা ঃ**

- এই বেমাৰৰ পৰা আৰোগ্য হোৱাৰ প্ৰত্যক্ষ ঔষধ নাই যদিও যিকোনো বহল পৰিসৰৰ প্ৰতিজৈৱিক বেজী দিব পাৰি। জ্বৰ প্ৰতিৰোধৰ বাবে পেৰাচিটামল বেজী দিব লাগে।
- নাটকোফ নামৰ পনীয়া ঔষধ খুৱাব লাগে।
- বেকন্‌ৰ নামৰ টেবলেট খুৱাব লাগে।

**প্ৰতিকাৰঃ**

- আক্ৰান্ত ছাগলীবোৰ ততাতৈয়াকৈ সুস্থ ছাগলীবোৰৰ পৰা আঁতৰাই ৰাখিব লাগে।
- যিহেতু এই ৰোগৰ মৃত্যুৰ হাৰ অতিশয় বেছি আৰু কম সময়ৰ ভিতৰতেই মৃত্যু হয় সেয়েহে প্ৰতিৰোধেই উত্তম উপায়।
- PPR নামৰ ছিটা এবিধ প্ৰতি তিনি বছৰৰ ব্যৱধানত দিয়ালে ছাগলীৰ জাতটো এই বেমাৰৰ পৰা ৰক্ষা পৰে। আজি-কালি এইবিধ চিটা পশু চিকিৎসালয়ত উপলব্ধ কৰোৱা হৈছে।

**ছিটাকৰণ আৰু পেলুৰ ঔষধ খুওৱাৰ নিৰ্দ্ধাৰিত সময়সূচী**

| বেমাৰৰ নাম | ছিটাকৰণ সময় | ছাগলীৰ বয়স | মন্তব্য |
|---|---|---|---|
| পেটফুলা বেমাৰ বা এণ্টাৰট'ক্সিমিয়া | মাৰ্চ /এপ্ৰিল আৰু ছেপ্তেম্বৰ/অক্টোবৰ | প্ৰথমবাৰ ২-৩ মাহ বয়সত | প্ৰতি ছমাহৰ মূৰে মূৰে দি থাকিব লাগে |
| পি. পি. আৰ. (PPR) | ফেব্ৰুৱাৰী-মাৰ্চ | প্ৰথমবাৰ ২-৩ মাহ বয়সত | প্ৰতি তিনি বছৰৰ ব্যৱধানত পুনৰ দিয়া হয় |
| **পেলুৰ ঔষধৰ নাম** | **খুওৱা সময়** | **ছাগলীৰ বয়স** | **মন্তব্য** |
| এল্‌বেনডাজল | মাৰ্চ-এপ্ৰিল আৰু ছেপ্তেম্বৰ-অক্টোবৰ | প্ৰথম ঘাঁহ খোৱাৰ ২৫-৩০ দিনত আৰু ৩ মাহ বয়সত | প্ৰতি মাহে মাহে, তিনিমাহলৈ আৰু তাৰ পিছত ছমাহৰ মূৰে মূৰে খুৱাব লাগে |
| ফেনবেন্‌ডাজল বা প্ৰাজিকোৱাণ্টেল | ঐ | ৩ মাহ বয়সত | প্ৰতি ছমাহৰ মূৰে মূৰে খুৱাব লাগে |

মুখ্য গৱেষক, সৰ্বভাৰতীয় সমন্বিত ছাগলী গৱেষণা প্ৰকল্প, ছাগলী গৱেষণা কেন্দ্ৰ; অসম কৃষি বিশ্ববিদ্যালয়, বৰ্ণিহাট - ৭৯৩১০১ ৰ দ্বাৰা প্ৰকাশিত আৰু মাইক্ৰ কম্প-টেক্, ছয়মাইল, গুৱাহাটীৰ দ্বাৰা মুদ্ৰিত। সবিশেষ তথ্যৰ বাবে যোগাযোগ কৰক ঃ ৮৮৭৬৫৩২৪৭৭

# ছাগলীৰ বেমাৰ - আজাৰ আৰু প্ৰতিকাৰ



**প্ৰস্তুত কৰোঁতা ঃ**

ড০ নৱ নাহৰডেকা

ড° আব্দুচ চালেক ড° অঙ্কুৰ দাস

ড° ৰুমি গগৈ শৰ্মা ড° জয় প্ৰকাশ শৰ্মা

সৰ্বভাৰতীয় সমন্বিত ছাগলী উন্নয়ন প্ৰকল্প

ছাগলী গৱেষণা কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়

বৰ্ণিহাট, কামৰূপ, অসম

গৱেষণা সঞ্চালকালয় (পশুচিকিৎসা)

অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা

গুৱাহাটী - ৭৮১০২২